*Total number of printed pages-02*

**2(Sem-8/FYUGP)BNC(A)/DSCII**

**2025**

**ASSAMESE**

*(Discipline Specific Core)*

**Paper Name: অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস (১৮২৬ চনৰ পৰা ২০০০ চনলৈ)**

Paper Code: **ASM-DSC-142**

*Full Marks: 60*

*Time: Two and Half Hours*

**(*The figures in the margin indicate full marks for the questions)***

*Answer in Assamese*

১. **অতি চমু উত্তৰ দিয়া -** **১x৭=৭**

ক) 'জোনাকী' কাকত খনৰ প্ৰকাশ প্ৰথমে ক'ৰ পৰা হৈছিল ?

খ) এ, কে, গৰ্নিৰ প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি ?

গ) 'বহল ব্যাকৰণ' ৰ প্ৰণেতা কোন ?

ঘ) ' মিৰি জীয়ৰী' উপন্যাসখন কোনে ৰচনা কৰিছিল ?

ঙ) 'পোহৰ' কবিতাটি কোন শ্ৰেণীৰ কবিতাৰ অৰ্ন্তভুক্ত কৰিব পাৰি ?

চ) 'বাণীকান্ত কাকতিৰ সাহিত্যিক ছদ্মনামটো কি ?

ছ) 'A Native' নামেৰে কোনে কিতাপ প্ৰকাশ কৰিছিল ?

২. **তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা -** **২x8=৮**

ক) নাথান ব্ৰাউন কিমান খ্ৰীষ্টাব্দত অসমলৈ আহিছিল ? তেওঁৰ এখন পুথিৰ নাম লিখা ।

খ) অসমীয়া সাহিত্যৰ বেকন বুলি কাক আখ্যা দিয়া হয় ? তেওঁক কিয় এই আখ্যা দিয়া হয় ?

গ) কথা কবিতাৰ দুটা বৈশিষ্ট্য লিখা ।

ঘ) যতীন্দ্ৰনাথ দুৱৰাই কোনজন সাহিত্যিকৰ কোনখন পুথিৰ আদৰ্শত 'কথা কবিতা নামৰ পুথি প্ৰণয়ন কৰে ?

ঙ) নীলমনি ফুকনৰ দুখন কাব্যসংকলনৰ নাম লিখা ।

**৩. চমুটোকা লিখা : (যিকোনো তিনিটা)** **৫x৩=১৫**

ক) মাইলচ ব্ৰন্সন।

খ) হেমচন্দ্ৰ বৰুৱাৰ 'স্ত্ৰী শিক্ষা' সম্পৰ্কে এটি টোকা।

গ) অসমীয়া নাট্য সাহিত্যলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অবদান।

ঘ) 'কবিৰ অহৈতুকী প্ৰীতি' প্ৰবন্ধৰ মূলকথা।

**8. তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ কৰা -** **১০x৩=৩০**

ক) অসমীয়া ভাষা সাহিত্যলৈ খ্ৰীষ্টিয়ান মিছনাৰী সকলৰ অবদান সম্পৰ্কে লিখা।

খ) আনন্দৰাম ঢেকীয়াল ফুকনে ৰচনা কৰা 'ইংলেণ্ডৰ বিৱৰণ' শীৰ্ষক পাঠটিৰ এটি বিশ্লেষনাত্মক আলোচনা আগবঢ়োৱা।

গ) মিৰি জীয়ৰী উপন্যাসত জনজাতীয় সমাজৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে আলোচনা কৰা।

ঘ) আধুনিক কবিতাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

************